# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 2**-09-2024
**Time :** 1845Hrs.

## *ASSAMESE REGIONAL EVENING BULLETIN*

:::::::::::::::::::::::::::::::::::::::

১। ৰাজ্য চৰকাৰে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এক লাখ নিযুক্তি সম্পন্ন হৈছে বুলি নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। ৰাজ্য চৰকাৰে অহা বছৰত ৫০ হাজাৰ পদত নিযুক্তি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। নতুন দিল্লীত প্ৰধানমনন্ত্ৰী মোদীৰ উপস্থিতিত বিজেপিৰ সদস্য ভৰ্তি অভিযান আৰম্ভ। ৰাজ্যৰ ভিন্ন প্ৰান্তত সদস্যতা অভিযান কাৰ্যসূচী ৰূপায়ণ।

৪। ৰাজ্যজুৰি হৃদ ৰোগ আৰু ৰক্তজনিত ৰোগত আক্ৰান্ত শিশুৰ ৰোগ চিনাক্তকৰণ আৰু চিকিৎসা শিবিৰৰ আয়োজন।

*আৰু*

৫। পেৰালিম্পিকৰ আজি পঞ্চম দিনটোত বেডমিণ্টনত ভাৰতৰ নিতেশ কুমাৰৰ স্বৰ্ণ জয়। প্ৰতিযোগিতাত এই পৰ্যন্ত দুটা স্বৰ্ণ, তিনিটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰে ভাৰতৰ ৯ টা পদক দখল।

০০০০০০০০

ৰাজ্য চৰকাৰে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এক লাখ নিযুক্তি অতিক্ৰম কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান কৰি তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে আজি নিযুক্তি দিয়া শিক্ষকসকলক ধৰি বৰ্তমান ৰাজ্য চৰকাৰে নিযুক্তি দিয়া পদৰ সংখ্যা এক লাখ ২৪ হাজাৰ ৩৪৫ হৈছে। অহা বছৰ আৰু ৫০ হাজাৰ নিযুক্তি প্ৰদানৰ বাবে চৰকাৰে লক্ষ্য লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ডঃ শৰ্মাই স্বাধীনতাৰ পাছত ৰাজ্যত কোনো এখন চৰকাৰেই এক লাখ নিযুক্তি দিবলৈ সমৰ্থ হোৱা নাছিল বুলি মন্তব্য কৰি তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি আজি এক লাখ নিযুক্তি সম্পূৰ্ণ হ'ল সেয়েহে আজি ৰাজ্যখনৰ যুৱক-যুৱতীলৈ তেওঁ অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই বৰ্তমান চৰকাৰৰ অধীনত কোনো ধৰণৰ উৎকোচ নিদিয়াকৈয়ে যোগ্যতাৰ ভিত্তিত যুৱক-যুৱতীসকলে চাকৰি লাভ কৰাটো সম্ভৱ হৈ উঠিছে বুলি মন্তব্য কৰে। ৰাজ্যৰ শিক্ষা বিভাগ, আৰক্ষী বিভাগ আদিত এই নিযুক্তি প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

আজি নিযুক্তি লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত যিকোনো ওজৰ-আপত্তি দাখিলৰ বাবে আজিৰ পৰা অহা ৮ ছেপ্তেম্বৰলৈকে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প'ৰ্টেল dee.assam.gov.in মুকলি কৰিছে। তদুপৰি নথিপত্ৰ পৰীক্ষণ সম্পৰ্কীয় কাৰণত আবেদন স্থগিত ৰখা ৮৩৪ জন প্ৰাৰ্থীয়ে প'ৰ্টেলত থকা লিংকত ওজৰ-আপত্তিৰ লগতে নথিপত্ৰ দাখিল কৰিব পাৰিব। চূড়ান্ত বাছনি তালিকাত স্থান লাভ কৰা শিক্ষকসকলৰ নিযুক্তিপত্ৰ জিলা আৰু বিদ্যালয়ৰ নামৰ ক্ষেত্ৰত কিবা অমিল ধৰা

পৰিলে সেই অভিযোগো প'ৰ্টেলত সন্নিবিষ্ট হৈ থকা লিংকৰ জৰিয়তে দাখিল কৰিব পাৰিব। প্ৰতিটো ওজৰ আপত্তিৰ বিপৰীতে সমৰ্থিত নথিপত্ৰ দাখিল কৰিব লাগিব। প'ৰ্টেলৰ জৰিয়তে দাখিল কৰা নথিপত্ৰসমূহ পৰীক্ষা কৰি যোগ্য প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিছে। দলে নতুন সদস্য ভৰ্তি আৰু দলটোৰ বৰ্তমানৰ সদস্যসকলক পুনৰ নবীকৰণ কৰাৰ লক্ষ্যৰে এই অভিযান ৰূপায়ণ কৰিছে। আজিৰ অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে দলৰ সদস্যসকলক অভিনন্দন জনোৱাৰ লগতে সদস্যভুক্ত হোৱা প্ৰতিগৰাকী ব্যক্তিয়ে দেশৰ হিতৰ বাবে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে ১০ বছৰৰ পূৰ্বৰ দেশৰ শাসন ব্যৱস্থাত থকা দুৰ্নীতি বিগত ১০ বছৰত শাসন ব্যৱস্থাৰ পৰা বিলোপ হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে সম্প্ৰতি দেশৰ নতুন প্ৰজন্মই স্বচ্ছ প্ৰশাসন ব্যৱস্থাৰ সুবিধা লাভ কৰিছে। অনুষ্ঠানত দিয়া ভাষণত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কয় যে বিজেপিয়ে ভাৰতীয় সংবিধানৰ প্ৰমূল্য অনুসৰি কাম-কাজ ৰূপায়ণ কৰা একমাত্ৰ ৰাজনৈতিক দল হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে দলৰ হৈ দেশৰ প্ৰধান সেৱক হিচাপে সমগ্ৰ দেশত দলীয় কাৰ্যকৰ্তাসকলৰ বাবে আদৰ্শস্বৰূপ হৈ পৰিছে বুলি তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে আজি দলত তেওঁৰ সদস্যপদ নবীকৰণৰ বাবে ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ পৰা প্ৰমাণ-পত্ৰ গ্ৰহণ কৰে। আজিৰ পৰা অহা ১০ নৱেম্বৰলৈকে বিভিন্ন পৰ্যায়ত এই অভিযান চলোৱা হ'ব। সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্যায় অহা ২৫ ছেপ্তেম্বৰত সামৰণি পৰিব। ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশত কমেও ১০ কোটি নতুন সদস্য ভৰ্তিৰ অভিযানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। জনসাধাৰণে মিছড কল অথবা দলৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল মঞ্চৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিজেপিয়ে সদস্যতা অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আৰু দৰঙাজুলি পৰিষদীয় সমষ্টিত আজি দলটোৰে যোগদান সমাৰোহৰো আয়োজন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দলৰ কেইবাগৰাকীও নেতা-কৰ্মীৰ উপস্থিতিত নাগ্ৰীজুলি পৰিষদীয় সমষ্টিত ৮৭৫ গৰাকী লোকে দলত যোগ দিয়ে।

oooooooo

উচ্চতৰ মাধ্যমিক স্তৰৰ তৃতীয় বৰ্গৰ পদৰ লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ প্ৰৱেশপত্ৰ আজিৰ পৰা ৱেবছাইটত উপলব্ধ হৈছে। সংশ্লিষ্ট প্ৰাৰ্থীসকলে www.assam.gov.in আৰু www.site.sebaonline.org ৱেবছাইটৰ পৰা প্ৰৱেশপত্ৰ ডাউনলোড কৰিব পাৰিব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে ঘোষণা কৰা অনুসৰি অহা ১৫ ছেপ্তেম্বৰত তিনি হাজাৰ ১২৭ পদৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে এক লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ১২ হাজাৰ ৬০০ টা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে। এই বিজ্ঞাপন অনুসৰি তৃতীয় বৰ্গৰ বাবে ১৮ লাখ ৫০ হাজাৰ আৰু চতুৰ্থ বৰ্গৰ বাবে ১৩ লাখ ৭০ হাজাৰ গৰাকী প্ৰাৰ্থীয়ে আবেদন জনাইছে।

oooooooo

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো মহিলা আৰু শিশু বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি কালিৰে পৰা ৰাজ্যিক পোষণ মাহ আৰম্ভ হৈছে। শিশু, কিশোৰ-কিশোৰী, মাতৃ তথা গৰ্ভৱতী মহিলাৰ পুষ্টিহীনতা ৰোধৰ উদ্দেশ্যেৰে এই মাহ পালনৰ ব্যৱস্থা কৰা হৈছে। মহিলা আৰু শিশু বিকাশ বিভাগৰ

মন্ত্ৰী অজন্তা নেওগে আজি মৰিগাওঁৰ তৰুণৰাম ফুকন খেলপথাৰত ৰাজ্যিক পোষণ মাহৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। তেওঁ অনুষ্ঠানত মাতৃ বন্দনা যোজনাৰ মাতৃসকলক চেকসমূহ বিতৰণ কৰে। উল্লেখযোগ্য যে পোষণ মাহৰ সৈতে সংগতি ৰাখি জিলাখনৰ ভিন্ন স্থানত মাতৃসকলৰ লগতে সন্তানৰ সু-স্বাস্থ্য গঢ়ি তোলাৰ লক্ষ্যৰে সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

00000000

ৰাজ্য চৰকাৰৰ ২০২৪-২৫ বিত্তিয় বৰ্ষৰ শিল্পী পেন্সন আঁচনিৰ বাবে শিল্পীসকলৰ পৰা প্ৰয়োজনীয় প্ৰমাণপত্ৰ সহ আবেদনপত্ৰ বিচৰা হৈছে। সাংস্কৃতিক সঞ্চালকালয়ে এই সন্দৰ্ভত জাৰি কৰা জাননী অনুসৰি আবেদনপত্ৰ www.directorculture.assam.gov.in আৰু www.silpisammanassam.com ত আজিৰ পৰা উপলব্ধ হৈছে। আবেদনপত্ৰসমূহ ১৫ অক্টোবৰৰ ভিতৰত দাখিল কৰিবলৈ জাননীত উল্লেক কৰা হৈছে। নিৰ্দিষ্ট তাৰিখৰ পাছত অথবা অফলাইন যোগে দাখিলকৰা আবেদন গ্ৰহণ যোগ্য বুলি বিবেচনা কৰা নহ'ব। সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ সাংস্কৃতিক কেন্দ্ৰসমূহৰ দায়িত্বত থকা সাংস্কৃতিক উন্নয়ন বিষয়া অথবা নিম্নবৰ্গ সহায়কসকলে সংশ্লিষ্ট জিলাখনৰ আবেদনকাৰী দিব্যাংগ শিল্পীসকলৰ ঘৰলৈ গৈ অনলাইন দাখিল কৰাত সহায় কৰিব। সংশ্লিষ্ট সাংস্কৃতিক উন্নয়ন বিষয়া অথবা নিম্নবৰ্গৰ সহায়কসকলৰ নাম আৰু যোগাযোগ নম্বৰ ৱেবছাইটত উপলব্ধ হ'ব।

00000000

লখিমপুৰ জিলাৰ ন্যায়িক আদালত চৌহদ আৰু ঢকুৱাখনা মহকুমা ন্যায়িক আদালত চৌহদত অহা ১৪ ছেপ্তেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধীকৰণ আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধীনকৰণ নিৰ্দেশনাত এই লোক আদালতৰ আয়োজন কৰা হৈছে। জিলা আইন সেৱা প্ৰাধীকৰণৰ উদ্যোগত আয়োজিত এই লোক আদালতত ভূমি অধিগ্ৰহণ গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ, বিদ্যুৎ, পানীৰ মাচুল, মটৰ দুৰ্ঘটনাৰ দাবীৰ গোচৰ, গ্ৰাহক পৰিক্ৰমা গোচৰকে ধৰি বিভিন্ন গোচৰৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। এই লোক আদালতত গোচৰ নিষ্পত্তিৰ বাবে জনসাধাৰণক লখিমপুৰ জিলা আইন সেৱা প্ৰাধীকাৰীৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

একেদৰে কৰিমগঞ্জ জিলাতো অহা ১৪ ছেপ্তেম্বৰত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। জিলা আদালত আৰু মুখ্য ন্যায়াধীশ আদালতৰ চৌহদত এই লোক আদালত অনুষ্ঠিত হ'ব। জিলাখনৰ বিভিন্ন আদালতত বিচাৰাধীন হৈ থকা দেৱানী আৰু অপৰাধমূলক গোচৰসমূহ এই লোক আদালতৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব।

00000000

ধেমাজি জিলাৰ জোনাইত আৰক্ষীয়ে বুজন পৰিমাণৰ মাদকদ্ৰব্য সহ তিনিজন যুৱকক আটক কৰিছে। যুৱককেইজনৰ পৰা নিচাযুক্ত দ্ৰব্যৰ উপৰি এনে দ্ৰব্য সেৱনত ব্যৱহৃত সামগ্ৰী, এখন মটৰ চাইকেল আৰু তিনিটা ম'বাইল ফোন জব্দ কৰা হৈছে। যুৱককেইজনে মাদক দ্ৰব্য সেৱন কৰি থকা অৱস্থাত ৰাইজে কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে।

00000000

হৃদ ৰোগ আৰু ৰক্তজনিত ৰোগত আক্ৰান্ত শিশুৰ ৰোগ চিনাক্তকৰণ আৰু চিকিৎসা শিবিৰ আজিৰেপৰা ৰাজ্যজুৰি অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত জিলাই জিলাই এই ব্যৱস্থা লোৱা হৈছে। নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালতো এই শিবিৰ মুকলি কৰা হৈছে। নলবাৰীত আজি

হৃদৰোগ, থেলাছেমিয়া আৰু কৰ্কট ৰোগ চিনাক্তকৰণৰ বাবে ডেৰ শতাধিক শিশুৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। বাক্সা আৰু নলবাৰী জিলাৰ জটিল ৰোগত আক্ৰান্ত শিশুসকলৰ বাবে এই শিবিৰ মুকলি কৰি ৰোগ চিনাক্তকৰণৰ পাছত পৰ্যায়ক্ৰমে বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব। প্ৰয়োজনসাপেক্ষে বহিঃৰাজ্যতো এই শিশুসকলৰ চিকিৎসা কৰোৱা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত পূবৰ দায়িত্বত থকা সচিব জয়দ্বীপ মজুমদাৰে প্ৰধানমন্ত্ৰী মোদীৰ এয়াই প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰী মজুমদাৰে কয় যে, ভাৰত এক্ট-ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত ব্ৰুনেই এটা গুৰুত্বপূৰ্ণ অংশীদাৰ। শ্ৰী মজুমদাৰে কয় যে ব্ৰুনেইৰ ছুলতান হাজী হাছানল বল্কিয়াৰ নিমন্ত্ৰণমৰ্মে শ্ৰী মোদী ৩ আৰু ৪ ছেপ্তেম্বৰত দেশখন ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত ব্ৰুনেইৰ সৈতে নতুন সহযোগিতা তথা সম্পৰ্কৰ বাবেপ্ৰধানমন্ত্ৰী মোদীয়ে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। শ্ৰী মজুমদাৰে কয় যে, ব্ৰুনেইত ১৪ হাজাৰৰো অধিক ভাৰতীয় সম্প্ৰদায়ৰ লোক আছে। চিকিৎসক, শিক্ষক আদি বৃত্তিৰে ভাৰতীয়সকলে ব্ৰুনেইৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ দিশত অৰদান আগবঢ়াই আহিছে।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী ল'ৰেন্স ৱঙৰ আমন্ত্ৰণমৰ্মে ৪ আৰু ৫ ছেপ্তেম্বৰত ছিংগাপুৰ ভ্ৰমণ কৰিব। নেতা দুয়োগৰাকীয়ে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সহযোগিতাৰ লগতে আঞ্চলিক আৰু গোলকীয় পাৰস্পৰিক বিষয়সমূহৰ সন্দৰ্ভত মত বিনিময় কৰিব। শ্ৰী মজুমদাৰে কয় যে, প্ৰায় ৬ বছৰৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে পুনৰ ছিংগাপুৰ ভ্ৰমণ কৰিব। তেওঁ কয় যে, এয়া হৈছে ভাৰতৰ আৰু ছিংগাপুৰৰ সম্বন্ধত নতুন মাত্ৰা প্ৰদান কৰাৰ এটা সুযোগ। আছিয়ান দেশসমূহৰ ভিতৰত ছিংগাপুৰ হৈছে ভাৰতৰ বৃহৎ বাণিজ্যিক অংশীদাৰ আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ উৎস।

oooooooo

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কাইলৈৰ পৰা ৭ ছেপ্তেম্বৰলৈ ভুল্লুং বুথুৰ আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ এটা নাট্যদল আঁক - এ ক্ৰিয়েটিভ লাইনৰ হৈ ড° মৃণালজ্যোতি গোস্বামীৰ তত্বাৱধানত এই মহোৎসৱ অনুষ্ঠিত কৰিব। আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত উদ্যোক্তাসকলে কৰা ঘোষণা অনুসৰি এই মহোৎসৱত আমেৰিকা, পোলেণ্ড, শ্ৰীলংকা, অষ্ট্ৰেলিয়া, ফ্ৰান্স, টিউনিচিয়া আৰু ভাৰতৰ কেইবাটাও নাট্যদলৰ দ্বাৰা কেইবাখনো নাট মঞ্চস্থ কৰা হ'ব। কাইলৈ সন্ধিয়া কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত উদ্বোধনী অনুষ্ঠানত শ্ৰীলংকাৰ নাট্যকৰ্মী এম ছফিৰে অংশগ্ৰহণ কৰিব।

oooooooo

শিৱসাগৰ জিলাৰ বেতবাৰী মৌজাৰ চেঙেলীবাৰীত দিচাং নৈৰ খহনীয়াই বিস্তীৰ্ণ অঞ্চলৰ জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। অঞ্চলটোত খহনীয়াৰ ফলত এতিয়ালৈ কেইবাটাও বাসগৃহ, কৃষিভূমি আৰু পশুধনৰ ক্ষতি হৈছে। স্থানীয় ৰাইজে এই সমস্যাৰ সমাধানৰ বাবে জলসম্পদ বিভাগক আবেদন জনাইছে।

oooooooo

মাজুলীত অহা ৮ ছেপ্তেম্বৰত উদযাপিত হ'বলগীয়া জিলা দিৱসৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিধায়ক ভূবন গামৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত মাজুলীৰ বিশিষ্ট নাগৰিকসকলৰ লগতে বিভাগীয় মুৰববীসকলে অংশগ্ৰহণ কৰে। সভাত নৱম মাজুলী জিলা দিৱসৰ কাৰ্যসূচীসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়।

oooooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আজি দীক্ষাৰম্ভ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্তই ভাষণত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত শিক্ষাৰ বিৱৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে তেওঁ সমাজৰ উন্নতিৰ বাবে নৈতিকতা আৰু জ্ঞান গুৰুত্বৰ ওপৰতো আলোকপাত কৰে। আনহাতে অনুষ্ঠানটোত অসম ৰাজ্যিক জনসেৱাৰ অধিকাৰ আয়োগৰ মুখ্য আয়ুক্ত ড০ সূজয় লাল থাউচেনে অংশ লৈ ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু ইয়াৰ উপায় সন্দৰ্ভত ভাষণ আগবঢ়ায়।

oooooooo

চৰাইদেউ জিলাৰ কেইবাখনো গাঁৱৰ কৃষি পথাৰৰ প্ৰায় ১৪ হেক্টৰ ধানখেতিত শুৰপোকে অনিষ্ট কৰা পৰিলক্ষিত হৈছে। শুৰপোকৰ উপদ্ৰৱ ৰোধ কৰিবলৈ জিলা কৃষি বিভাগে কৃষকসকলক কীটনাশক সাৰ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। লগতে অনিষ্ট হোৱা পথাৰসমূহ পৰিদৰ্শন কৰি সহায় সহযোগিতাৰ লগতে দিহা-পৰামৰ্শ আগবঢ়াইছে। এইক্ষেত্ৰত জিলাখনৰ কৃষক ৰাইজক পোনপটীয়াকৈ জিলা কৃষি বিভাগ তথা নিজ নিজ চক্ৰ বা এলেকাৰ কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

oooooooo

মাজুলীৰ জিলা মহিলা সৱলীকৰণৰ উদ্যোগত তথা জিলা আইনসেৱা প্ৰাধীনকৰণৰ উদ্যোগত বগৰীগুড়ি মিচিং গাঁৱত আইন সম্বন্ধীয় সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত ঘৰুৱা হিংসা প্ৰতিৰোধী আইন, কৰ্মক্ষেত্ৰত মহিলাৰ ওপৰত যৌন নিৰ্যাতন প্ৰতিৰোধী আইন, যৌতুক প্ৰতিৰোধী আইন সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰ লগতে বাল্য বিবাহ প্ৰতিৰোধী আইন, শিশু শ্ৰমিক আইন সম্পৰ্কেও সাধাৰণ ৰাইজক অৱগত কৰোৱা হয়। মাজুলী জিলাৰ মুখ্য আইন সহায়ক প্ৰতিৰক্ষা অধিবক্তা বোধেশ্বৰ পামেগামে সমল ব্যক্তি হিচাপে সভাত অংশগ্ৰহণ কৰে।

oooooooo

দুৰ্নীতি নিবাৰক শাখাই উৎকোচ লোৱাৰ অভিযোগত নলবাৰী জিলাৰ ধৰ্মপুৰ বৰক্ষেত্ৰীৰ কাৰ্যবাহী অভিযন্তা সীমান্ত লহকৰক গ্ৰেপ্তাৰ কৰিছে। বিভাগীয় কামৰ বিনিময়ত ধৃত বিষয়াজনে এক লাখ ২০ হাজাৰ টকাৰ উৎকোচ বিচৰাৰ অভিযোগ উত্থাপন হৈছে। দাবী কৰা এক লাখ টকা লওতে অভিযানকাৰী দলে বিষয়াজনক গ্ৰেপ্তাৰ কৰে।

oooooooo

পেৰিছ্ পেৰালিম্পিকৰ পঞ্চম দিনা আজি ভাৰতৰ পেৰা শ্বাটলাৰ নীতেশ কুমাৰে প্ৰথমটো সোণৰ পদক অৰ্জন কৰি ভাৰতক এই প্ৰতিযোগিতাত দ্বিতীয়টো সোণৰ পদক অৰ্জনৰ গৌৰৱৰ অধিকাৰী কৰে। খেলুৱৈগৰাকীয়ে গ্ৰেট ব্ৰিটেইনৰ ডেনিয়েল বিথেলক ২১-১৪, ১৮-২১, ২৩-২১ -ত পৰাজিত কৰি পুৰুষৰ ছিংগলছৰ SL3 শিতানত স্বৰ্ণপদক জয় কৰে। ইপিনে, ভাৰতৰ য়োগেশ কাঠুনিয়াই পুৰুষৰ ডিচকাছ থ্ৰ'ৰ F56 শিতানত ৰূপৰ পদক অৰ্জন কৰে। ইয়াৰ লগে লগে এই প্ৰতিযোগিতাত ভাৰতৰ পদক সংখ্যা ৯ লৈ

বৃদ্ধি পাইছে। ইয়াৰ আগেয়ে পেৰা শ্বাটলাৰ থুলচিমথি মুৰুগেচনে আন এটা পদক নিশ্চিত কৰে। খেলুৱৈগৰাকী মহিলাৰ ছিংগলছ্‌ৰ SU5 ইভেণ্টত ফাইনেলত প্ৰৱেশ কৰিছে। শীৰ্ষ বাছনিৰ তামিলনাডুৰ মুৰুগেছানে যোৱা নিশা অনুষ্ঠিত ছেমি ফাইনেলত প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে ২৩-২১, ২১-১৭ ছেটত জয়ী হৈছিল। প্ৰতিযোগিতাৰ ফাইনেলত তেওঁ চীনৰ য়াং কুইজিয়াৰ মুখামুখি হ'ব। ইফালে, ছেমি ফাইনেলত পৰাস্ত হোৱাৰ পাছত মনিষা ৰামাদাসে ব্ৰঞ্জৰ পদকৰ বাবে ডেনমাৰ্কৰ কেথ্ৰিন ৰ'জেনগ্ৰেনৰ বিৰুদ্ধে খেলিব। ভাৰতৰ বিশ্বৰ শীৰ্ষ স্থানীয় পেৰা আৰ্চাৰ ৰাকেশ কুমাৰে সামান্য ব্যৱধানত পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শাখাত ব্ৰঞ্জৰ পদক লাভ কৰাৰ পৰা বঞ্চিত হয়। খেলুৱৈগৰাকীয়ে সুন্দৰ আৰম্ভণি কৰিছিল যদিও চীনৰ প্ৰতিদ্বন্দ্বী হী জিৰাওৰ হাতত ১৪৭-১৪৬ পইণ্টৰ ব্যৱধানত পৰাস্ত হয়।

প্ৰতিযোগিতাত ভাৰতে এইপৰ্যন্ত দুটা সোণ, তিনিটা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদকসহ মুঠ ৯টা পদক লাভ কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পেৰা শ্বাটলাৰ নীতেশ কুমাৰক সোণৰ আৰু য়োগেশ কাঠুনিয়াক ৰূপৰ পদক অৰ্জন কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে দুয়োগৰাকী খেলুৱৈক অভিনন্দন জ্ঞাপন কৰি কয় যে তেওঁলোকে নিজৰ নিষ্ঠা আৰু একাগ্ৰতাক প্ৰতীয়মান কৰিছে। দুয়োগৰাকী খেলুৱৈয়ে ভৱিষ্যতেও এনেধৰণৰ সাফল্যৰে দেশক গৰ্বিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

oooooooo

নতুন দিল্লীত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলত গোলাঘাট জিলাৰ নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ে জয়লাভ কৰিছে। নুমলিগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফুটবল দলটোৱে সৈনিক স্কুলক ৬-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। নতুন দিল্লীৰ জি ইউ জি খেলপথাৰত কাইলৈ বিজয়ী দলটোৱে শ্ৰীলংকাৰ বিৰুদ্ধে দ্বিতীয়খন খেলত অৱতীৰ্ণ হ'ব।

oooooooo

বৰপেটা ৰোডৰ বাসিন্দা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত কুমাৰ দাসৰ আজি পুৱা দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত ভুগি থকা দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৭ বছৰ। সুদীৰ্ঘ দিন ধৰি সাংবাদিকতাৰ সৈতে জড়িত দাসে গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো দৈনিক বাতৰি কাকতৰ লগতে বৈদ্যুতিন মাধ্যমৰ সৈতেও জড়িত আছিল। তদুপৰি অসম নাট্য সন্মিলনৰ বৰপেটা জিলাৰ সভাপতি আৰু জিলা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্বও তেওঁ পালন কৰিছিল। তেওঁৰ মৃত্যুত জিলাখনত শোকৰ ছাঁ পৰিছে।

oooooooo

ঃসমাপ্তঃ